

## নলখোল/ওলকবি ঃ

নলখোল পাচলিবিধৰ বিষয়ে তুলনামূলকভাৱে কমকৈ জনা যায়। ইয়াক অন্যান্য বিভিন্ন নামেৰে যেনে নভালক'ল, গাঁঠ গ'ভি ইত্যাদি নামেৰে ইয়াক জনা যায়। কিন্তু ইয়াক অধিকতৰ খোলৰাবি নামেৰে জনা যায়। মূলতঃ এই পাচলিবিধ উত্তৰ ইউৰোপিয়ান পাছত ক্ৰমান্বয়ে এই পাচলিবিধ সমগ্ৰ পৃথিৱীলৈকে বিয়পি পৰে। এনেকি দক্ষিণ এছিয়াৰ দেশসমূহলৈকো ই কালক্ৰমত বিয়পি পৰে। ভাৰতৰ উত্তৰ কশ্মীৰত এই পাচলিবিধৰ বহুল ব্যৱহাৰ হোৱা দেখা যায়। অৱশ্যে ভাৰতৰ অন্যান্য কিছুমান ৰাজ্যতো এই পাচলিবিধ বেছ জনপ্ৰিয়। দেখাত পাচলিবিধৰ বন্ধাকবিৰ সৈতে কিছু সাদৃশ্য আছে। সেউজীয়াত বাগ ৰঙৰ আঙঠিৰ দৰে পাক থকা পাচলিবিধ গোল আৰু আকৃতিত ডাঙৰ হয়। বন্ধাকবিৰ সৈতে ইয়াৰ মূল পাৰ্থক্যটো হ'ল ইয়াত বন্ধাকবিৰ দৰে পাতৰ আস্তৰণ নাথাকে। চুটি আৰু আলুৰ দৰে আকৃতিৰ কাৰণে কেতিয়াবা ইয়াক জাৰ্মান টাৰ্নিপ নামেৰেও জনা যায়। ই যদিও এবিধ বছেৰেকত হোৱা পাচলি কিন্তু বছৰটোৰ সকলো সময়তে ইয়াৰ উৎপাদন কৰিব পৰা যায়।

## জাত ঃ

**সোনকালে চপাব পৰা ঃ** হোৱাইত ভিয়েনা

**পলমকৈ চপাব পৰা ঃ** পাৰপল ভিয়েনা

## বীজৰ পৰিমাণ ঃ

প্ৰতি বিঘাত - ১৬৬ গ্ৰাম

## ৰোপণ দূৰত্ব ঃ

৩০x২৫ ছেণ্টিমিটাৰ

## বীজ সিঁচাৰ সময় ঃ

ছেপ্টেম্বৰৰ প্ৰথম সপ্তাহৰ পৰা নৱেম্বৰৰ শেষৰ সপ্তাহলৈ।

## সাৰ প্ৰয়োগ ঃ

পচন সাৰ- ১৫-২০ কুইন্টল, ইউৰিয়া-২৪ কিলোগ্ৰাম, একক ছুপাৰ ফচফেট-৪৮ কিলোগ্ৰাম আৰু মিউৰেট অব পটাছ-১২ কিলোগ্ৰাম আৰু বৰাক্স-১ কিলোগ্ৰাম। ইউৰিয়া সাৰৰ আধা আৰু সমুদায় ছুপাৰ, পটাছ আৰু বৰাক্স পুলি ৰোৱাৰ আগেয়ে মাটিত প্ৰয়োগ কৰিব লাগে। ইউৰিয়া সাৰৰ বাকী আধা পুলি ৰোৱাৰ ২০ দিনৰ পিছত মাটি চপোৱাৰ সময়ত প্ৰয়োগ কৰিব লাগে। পুলিবোৰ ঠন ধৰি উঠাৰ পিছত ১৫-২০ দিনৰ মূৰে মূৰে অণুসাৰ যেনে, গ্ৰীন হাৰভেষ্ট- অলক্ৰপ (১০ লিটাৰ পানীত ৭৫ গ্ৰাম) আৰু ক্ৰপ বুষ্টাৰ (১০ লিটাৰ পানীত ৪০ গ্ৰাম) স্প্ৰে কৰিব লাগে।

## জলসিঞ্চন ঃ

পুলি ৰোৱাৰ পিছত এবাৰ, মাটি চপোৱাৰ পিছত এবাৰ আৰু ফুল ধৰিবলৈ আৰম্ভ কৰাৰ সময়ত এবাৰকৈ মুঠ ৩ বাৰ নিশ্চিত জলসিঞ্চন কৰাৰ প্ৰয়োজন। তদুপৰি খৰাং বতৰত অধিক জলসিঞ্চনৰ প্ৰয়োজন আছে।

## শস্যৰক্ষা ঃ

পুলি ৰোৱাৰ পিছত গুৰি অংশ ক'লা পৰি যায় আৰু পাতবিলাক হালধীয়া পৰি মৰহি যায়। এই ৰোগ নিয়ন্ত্ৰণৰ বাবে ষ্ট্ৰেপট'মাইচিন বেক্টেৰীয়ানাশকৰ ১ গ্ৰাম প্ৰতি ১০ লিটাৰ পানীত মিহলাই পুলিৰ গুৰি অংশত স্প্ৰে কৰিব লাগে।

পাতত নাইবা গুৰি অংশত ভেঁকুৰ বেমাৰ যেনে, গুৰি পচা, অলটাৰনেৰিয়া লিফ স্পট আদিয়ে আক্ৰমণ কৰিব পাৰে। ইয়াক য়িন্ত্ৰণৰ বাবে ইন্দফিল এম-৪৫ নাইবা বেভিষ্টিন ভেঁকুৰনাশক পাতত স্প্ৰে কৰিব লাগে।

পাত খোৱা পলু পোক নিয়ন্ত্ৰণৰ বাবে মালাথিয়ন ১.৫ মিলিলিটাৰ প্ৰতি ১ লিটাৰ পানীত মিহলাই স্প্ৰে কৰিব লাগে।

অনুসাৰৰ অভাৱত ওলকবিত নানাধৰণৰ বিসঙ্গতি হ'ব পাৰে। সেয়ে ওলকবি ঠন ধৰি উঠাৰ পিছত প্ৰতি ১৫-২০ দিনৰ মূৰে মূৰে বজাৰত উপলব্ধ অনুসাৰ যেনে, গ্ৰীন হাৰভেষ্ট- অলক্ৰপ, ক্ৰপ বুষ্টাৰ, ট্ৰেচেল-২, মাল্টিপ্লেক্স আদি স্প্ৰে কৰিব লাগে।







## নলখোল/ওলকবি ঃ

| | | |
|---|---|---|
| আকাৰ | - | ১০০ গ্ৰাম |
| কেলৰি | - | ২৭ গ্ৰাম |
| ছ'ডিয়াম | - | ১% |
| পটেছিয়াম | - | ৭% |
| মুঠ কাৰ্ব'হাইড্ৰেট | - | ৫% |
| খাদ্য উপযোগী আঁহ | - | ১০% |
| প্ৰ'টিন | - | ৩% |
| ভিটামিন এ | - | ১% |
| ভিটামিন চি | - | ১০২% |
| লো (আইৰণ) | - | ৫% |

উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালৰ
দ্বাৰা প্ৰকাশিত
খানাপাৰা, গুৱাহাটী-২২





# ওলকবি

# Knolkhol